# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-09-2025
**Time :** 0720 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে অসমৰ প্ৰধান আন্তঃগাঁথনি আৰু ঔদ্যোগীক বিকাশৰ সৈতে জড়িত বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। সমগ্ৰ দেশতে আজি হিন্দী দিৱস উদযাপন কৰা হৈছে।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কালি AIIMS Disha নামৰ চিকিৎসালয়ৰ আভ্যন্তৰীন দিক্ নিৰ্দেশনা এপ্ মুকলি কৰে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম আৰু মেঘালয়ৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱল বৰষুণ হোৱাৰ আগজাননী দিছে।

*আৰু*

৫। ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে অসমৰ প্ৰধান আন্তঃগাঁথনি আৰু ঔদ্যোগীক বিকাশৰ সৈতে জড়িত বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰথমে তেওঁ অঞ্চলটোৰ চিকিৎসা-শিক্ষা আৰু স্বাস্থ্যৰ যতন শক্তিশালী কৰাৰ উদ্দেশ্যে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ৰাজধানী চহৰখনৰ কাষৰীয়া অঞ্চলৰ যোগাযোগ ব্যৱস্থা সুগম কৰি তোলাৰ উদ্দেশ্যে ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গোলাঘাট জিলাৰ নুমলীগড় লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধি হ'ব আৰু ৰাজ্যখনত সামগ্ৰীকভাৱে আৰ্থসামাজিক বিকাশ ঘটাব বুলি আশা কৰা হৈছে। ইয়াৰ পূৰ্বে কালি দুদিনীয়া কাৰ্যসূচীৰে ৰাজ্যখনলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে তেওঁ কিংবদন্তি শিল্পী ড° ভূপেন হাজৰিকাৰ অবিস্মৰণীয় প্ৰতিভাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ কয় যে, ভূপেন হাজৰিকাৰ গীতসমূহে ভাৰতক এক কৰি ৰখাৰ লগতে জনসাধাৰণক অসীম শক্তি প্ৰদান কৰে। বিশ্বজনীন শিল্পীগৰাকীৰ সৃষ্টিসমূহে এক ভাৰত, শ্ৰেষ্ঠ ভাৰতৰ ধাৰণাকো প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে। তেওঁৰ গীতসমূহত ভূপেন দাৰ জীৱন ধাৰণৰ আদৰ্শ আৰু অভিজ্ঞতাসমূহো প্ৰতিফলিত হয় বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত মাতাৰ প্ৰতি ভূপেন দাৰ গভীৰ প্ৰেমে এক ভাৰত, শ্ৰেষ্ঠ ভাৰতৰ ধাৰণাকে জীৱন্ত ৰূপত প্ৰতিভাত প্ৰদৰ্শন কৰে। তেওঁৰ গীত আৰু কণ্ঠই  ভাৰতৰ উন্নয়নৰ যাত্ৰাৰ সাক্ষী স্বৰূপে প্ৰচলিত হৈ অহাৰ লগতে ইয়াক শক্তিশালী ৰূপ দিয়াতো বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰসিদ্ধ, কণ্ঠশিল্পী আৰু সংগীতজ্ঞগৰাকীৰ সৃষ্টিসমূহে  অঞ্চলটোত চলি থকা হিংসাৰ পৰিৱেশৰ সময়ছোৱাতো একত্ৰিত উত্তৰ-পূৰ্বাঞ্চলৰ বাৰ্তা বহন কৰে বুলি উল্লেখ কৰে। ভূপেন হাজৰিকালৈ আগবঢ়োৱা ভাৰতৰত্ন সন্মান সমগ্ৰ ৰাষ্ট্ৰ বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিও অতি সন্মানৰ বিষয় আছিল বুলি তেওঁ কয়। দেশৰ বিকাশত এই অঞ্চলৰ গুৰুত্ব আৰু সাংস্কৃতিক সম্বন্ধৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশত ৰে'ল আৰু পথ যোগাযোগৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দেশৰ একতাৰ ক্ষেত্ৰত সাংস্কৃতিক যোগাযোগ অতিকে আৱশ্যকীয়। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতি অবিহনে দেশৰ বিকাশৰ কথা কল্পনাও কৰিব নোৱাৰি বুলি শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে। তেওঁ লগতে সমগ্ৰ দেশে উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাস আৰু ঐতিহ্যৰ সৈতে পৰিচিত হৈছে আৰু কেন্দ্ৰয়ো সাংস্কৃতিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত জোৰ দি আহিছে।

এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। তেওঁ লগতে ২১টা ভাষালৈ অনুদিত ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখন উন্মোচন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ইম্ফলত এখন ৰাজহুৱা সভাত ভাষণ দি মণিপুৰৰ ৰাইজক ৰাজ্যখনত শান্তি স্থাপনৰ বাবে আগবাঢ়ি অহাৰ লগতে যুৱ প্ৰজন্মৰ প্ৰগতি আৰু কল্যাণৰ পথ প্ৰশস্ত কৰিবলৈ আহ্বান জনায়। মণিপুৰ ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে সাত হেজাৰ ৩০০ কোটি টকাতকৈও অধিক টকা ব্যয় সাপেক্ষ ১৪ টা ভিন ভিন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে হিংসাত্মক ঘটনাত গৃহহাৰা হৈ বিভিন্ন আশ্ৰয় শিৱিৰত থকা লোকসকলৰ সৈতে মত বিনিময় কৰে।

ইয়াৰ পূৰ্বে তেওঁ মিজোৰামতো ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। ইয়াৰ ভিতৰত ভাৰতীয় ৰে'ল যোগাযোগ ব্যৱস্থাত প্ৰথমবাৰৰ মিজোৰামৰ ৰাজধানী আইজলক সংযোজিত কৰা এটা নতুন ৰে'ল লাইন প্ৰকল্পও আছে।

ooooo

আজি সমগ্ৰ দেশতে হিন্দী দিৱস উদযাপন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগিৰি লিপিত লিখা  হিন্দীক দেশৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিছিল। বৰ্তমান হিন্দী হৈছে বিশ্বৰ সৰ্বাধিক ব্যৱহৃত ভাষাসমূহৰ অন্যতম আৰু ৫২ কোটি কৈও অধিক মানুহে ব্যৱহাৰ কৰে। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধী নগৰত মহাত্মা মন্দিৰত পঞ্চম অখিল ভাৰতীয় ৰাজভাষা সন্মিলন উদ্বোধন কৰিব। গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল এই অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কালি AIIMS Disha নামৰ এটা কৃত্ৰিম বুদ্ধিমত্তা আৰু আই অ' টি সমৰ্থিত আভ্যন্তৰীন দিক্ নিৰ্দেশনা এপ' মুকলি কৰে। এই এপৰ জৰিয়তে চিকিৎসালয়সমূহত ৰোগী, দৰ্শনাৰ্থী আৰু চিকিৎসাকৰ্মীসকলে স্মাৰ্ট ফোনৰ সহায়েৰে চিকিৎসালয়ৰ আভ্যন্তৰীন দিক্ নিৰ্দেশনা লাভ কৰিব। ইয়াৰ ফলত ৰোগী, দৰ্শনাৰ্থীসকলে চিকিৎসকৰ কোঠা বিচাৰি কৰা সময় অপচয় ৰোধ হোৱাৰ লগতে অভ্যৰ্থনা কক্ষত হোৱা সময়ৰ অপচয় ৰোধ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। এই এপ'টোৱে ৰোগী আৰু হাস্পতাল কৰ্তৃপক্ষক সমানে সহায় কৰিব।

০০০০০

জম্মু-কাশ্মীৰত তীৰ্থযাত্ৰীৰ বাবে বিগত কেইবাদিনো ধৰি বন্ধ হৈ থকা শ্ৰীমাতা বৈষ্ণোদেৱী যাত্ৰা আজি পুনৰ মুকলি কৰাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই যাত্ৰা বন্ধ থাকিব। উল্লেখযোগ্য যে, জম্মু-কাশ্মীৰৰ ৰেইচি জিলাত হৈ থকা নেৰা-নেপেৰা বৰষুণৰ ফলত শ্ৰীমাতা বৈষ্ণোদেৱী সমিতিয়ে কালি সামাজিক মাধ্যম যোগে এই কথা ঘোষণা কৰে।

উল্লেখযোগ্য যে, ভূমিস্খলন আৰু প্ৰবল বৰষুণৰ বাবে তীৰ্থযাত্ৰীৰ সুৰক্ষাৰ কথা বিবেচনা কৰি যোৱা ২৬ আগষ্টৰ পৰা শ্ৰীমাতা বৈষ্ণোদেৱীলৈ যাত্ৰা স্থগিত ৰখা হৈছিল। পৰৱৰ্তী যাত্ৰা কেতিয়া মুকলি কৰা হ'ব এই সন্দৰ্ভত সৱিশেষ জানিবলৈ শ্ৰীমাতা বৈষ্ণোদেৱী সমিতিৰ সৈতে তীৰ্থযাত্ৰীসকলক যোগাযোগ কৰিবলৈ কৰ্তৃপক্ষই আহ্বান জনাইছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ লগতে ছিক্কিম, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশীয় অঞ্চল, বিহাৰ আৰু গোৱাৰ কোনো কোনো এলেকাত প্ৰৱল বৰষুণৰ আগজাননী দিছে। বিভাগে লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, চত্তিশগড়, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, উত্তৰ কৰ্ণাটকৰ ভিতৰুৱা এলেকা ওড়িশা আৰু তেলেংগানাত কাইলৈ পৰ্যন্ত মুষলধাৰ বৰষুণ অব্যাহত থাকিব বুলিও সকীয়াই দিছে। ইপিনে, অহা দুই-তিনিদিনলৈ জম্মু-কাশ্মীৰ, লাডাখ, গিলগিত, বাল্টিস্তান, মুজফফৰাবাদ আৰু তেলেংকানাত বিজুলী ঢেকেৰণীৰে সৈতে বৰষুণ হ'ব বুলি আগলি বতৰা দিছে।

০০০০০

ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ফেব্ৰুৱাৰীৰ পাছত চলিত বৰ্ষত এইবাৰ প্ৰথমবাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইউ এ ই আৰু ওমানক পৰাস্ত কৰি দুয়োটা দলৰে মানসিক স্থিতি সম্প্ৰতি শক্তিশালী হৈ আছে। ভাৰতে ডুবাইত যোৱা বুধবাৰে অনুষ্ঠিত খেলখনত ইউ এ ইক ৯ উইকেটত আৰু পাকিস্তানে ওমানক ৯৩ ৰানত পৰাস্ত কৰিছিল। যোৱানিশা আবুধাবিত অনুষ্ঠিত গ্ৰুপ বিৰ-এখন খেলত শ্ৰীলংকাই, বাংলাদেশৰ বিৰুদ্ধে ৬ উইকেটত জয় লাভ কৰে। জয়ৰ বাবে ১৪০ ৰানৰ লক্ষ্যৰে খেলি শ্ৰীলংকাই ১৪ অভাৰ ৪টা বল আৰু ৬টা উইকেট বাকী থকা অৱস্থাত বিজয় সাব্যস্ত কৰে। ইয়াৰে পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৩৯ কৰে। এ জয়ৰ সুবাদত শ্ৰীলংকাৰ সামগ্ৰীক ৰান ৰেট উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱাৰ লগতে গ্ৰুপ-বিত দলটোক শক্তিশালী স্থিতিত উপনীত কৰে।

০০০০০

চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত খিতাপ দখলৰ লক্ষ্যৰে ভাৰত আজি চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময়মতে সন্ধিয়া চাৰে পাঁচ বজাত অনুষ্ঠিত হ'ব। কালি চুপাৰ ফ'ৰ পৰ্য্যায়ত ভাৰত আৰু জাপানৰ মাজৰ খেলখন ড্ৰ' হয়। ভাৰতৰ বিউটি ডুং ডুঙে ভাৰতৰ হৈ স্ক'ৰ সংগ্ৰহ কৰিলেও, চতুথাৰ্ধত জাপানৰ শ্বিহ' কাবাকায়াৰ গ'লত পিছ পৰি ৰয়। চুপাৰ ফ'ৰ পৰ্যায়ৰ অন্য এখন খেলত চীনে দক্ষিণ কোৰিয়াক পৰাস্ত কৰি ফাইনেললৈ অগ্ৰসৰ হয়।

ooooo

**সমাপ্ত**